# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 31-Aug-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
## Headlines
-------------------

১। স্বদেশত নিৰ্মিত সামগ্ৰীৰ ব্যৱহাৰক অগ্ৰাধিকাৰ দিবলৈ মন কী বাত অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দেশবাসীক আহ্বান। ৰাজ্যৰ বিভিন্ন প্ৰান্তত মন কী বাত শ্ৰৱণ।

২। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ আজি শিলচৰত কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ।

৩। সমাগত বিটিচি নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান অব্যাহত। ইউ পি পি এলৰ আজি দ্বিতীয়খন প্ৰাৰ্থীৰ তালিকা ঘোষণা।

৪। প্ৰধানমন্ত্ৰীৰ মাতৃ সন্দৰ্ভত ৰাহুল গান্ধীয়ে কৰা অশোভনীয় মন্তব্যৰ বিৰোধিতাৰে বিজেপিৰ অসম প্ৰদেশ গোটৰ আজি ৰাজীৱ ভৱন ঘেৰাও।

*আৰু*

৫। এছিয়া কাপ হকী প্ৰতিযোগিতাত জাপানৰ বিৰুদ্ধে ভাৰতৰ ৩-২ গ'লত জয়লাভ।

০০০০০

দেশে স্থানীয় সামগ্ৰীৰ ব্যৱহাৰত উদগণি যোগোৱা ভোকেল ফৰ লোকেল, আত্মনিৰ্ভৰ ভাৰত আৰু বিকশিত ভাৰতৰ মন্ত্ৰৰে আগবঢ়া উচিত বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। আকাশবাণীৰ মন কী বাত অনুষ্ঠানত শ্ৰীমোদীয়ে আজি কয়, যে উৎসৱৰ বতৰত দেশবাসীয়ে স্বদেশী সামগ্ৰীৰ কথা পাহৰা উচিত নহয়। জীৱনৰ সৈতে জড়িত সকলো সামগ্ৰী স্বদেশী হ'ব লাগে বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। তেওঁ উৎসৱৰ আনন্দৰ মাজত পৰিস্কাৰ-পৰিচ্ছন্নতাৰ দিশটোৰ প্ৰতিও গুৰুত্ব দিবলৈ জনসাধাৰণক আহ্বান জনায়।

এইবাৰ বাৰিষা কালত প্ৰাকৃতিক বিপৰ্যয়ে যেন দেশৰ পৰীক্ষা লৈছে বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে বিগত কেইটামান সপ্তাহত দেশৰ বিভিন্ন অংশত ব্যাপক বান আৰু ভূমিস্খলন হৈছে। এই ঘটনাসমূহে দেশৰ প্ৰতিগৰাকী লোকক ব্যথিত কৰি তুলিছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে এনে ঘটনাত আপোনজনক হেৰুওৱা লোকসকলৰ পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

কেন্দ্ৰীয় লোকসেৱা আয়োগৰ বিভিন্ন পৰীক্ষাৰ সকলো পৰ্যায় সফলতাৰে পাৰ কৰা, কিন্তু মেধাৰ চূড়ান্ত তালিকাত স্থান নোপোৱা প্ৰাৰ্থীসকলৰ তথ্য মজুত কৰা **প্ৰতিভা সেতু** ডিজিটেল মঞ্চৰ বিষয়ে প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয় যে এই পোৰ্টেলৰ জৰিয়তে ব্যক্তিগত কোম্পানীসমূহে এই প্ৰতিভাসম্পন্ন শিক্ষাৰ্থীসকলৰ তথ্য আহৰণ কৰিব পাৰে আৰু তেওঁলোকক নিয়োজিত কৰিব পাৰে। এই পোৰ্টেলৰ জৰিয়তে শ-শ প্ৰাৰ্থীয়ে কৰ্মসংস্থানৰ সুযোগ লাভ কৰিছে বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে।

দেশৰ অন্যান্য অংশৰ লগতে অসমৰো বিভিন্ন স্থানত প্ৰধানমন্ত্ৰীৰ মন কী বাত সমূহীয়াকৈ শ্ৰৱণ কৰা হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীৰ গণেশপাৰা বাথৌ মন্দিৰ প্ৰেক্ষাগৃহত মন কী বাত শুনে। ড০ শৰ্মাই কয়, যে এই অনুষ্ঠানে চৰকাৰ আৰু জনসাধাৰণৰ মাজত সংযোগ স্থাপন কৰি সমাজত ৰূপান্তৰমুখী কাহিনীৰ প্ৰচাৰেৰে সকলোকে অনুপ্ৰাণিত কৰিছে।

গোৱালপাৰা জিলাৰ দুধনৈ বনবাসী মন্দিৰ চৌহদত মন কী বাত অনুষ্ঠানৰ শ্ৰৱণ কাৰ্যসূচীত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু উপস্থিত থাকে। ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভা আৰু গোৱালপাৰা জিলা বিজেপিৰ সভাপতি দিপাংক কুমাৰ নাথে এই কাৰ্যসূচীতে জনসাধাৰণৰ সৈতে মন কী বা শুনে।

ডিব্ৰুগড় জিলাৰ বিভিন্ন স্থানত মন্ত্ৰী, বিধায়ক আৰু বিজেপিৰ কৰ্মকৰ্তা সকলে বুথ পৰ্যায়ত মন কী বাত শুনে। মন্ত্ৰী তথা ডিব্ৰুগড়ৰ বিধায়ক প্ৰশান্ত ফুকনে ৰূপনগৰত জনসাধাৰণৰ সৈতে মন কী বাত শুনে।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি শিলচৰৰ উধাৰবন্দৰ কাঁছাকান্তি মন্দিৰ দৰ্শন কৰাৰ লগতে কাঁছাকান্তি বিদ্যামন্দিৰৰ মুকলি মঞ্চৰ আধাৰশিলা স্থাপন কৰে। ৰাজ্য চৰকাৰৰ ২০২৫-২৬ বৰ্ষৰ আনটাইড পুঁজিৰ অধীনত এই মুকলি মঞ্চ নিৰ্মাণ কৰা হ'ব। মুখ্যমন্ত্ৰীগৰাকী বৰাক উপত্যকাৰ দুদিনীয়া ভ্ৰমণসূচীৰে আজি দুপৰীয়া শিলচৰত উপস্থিত হয়। ড০ শৰ্মাই আজি শিলচৰৰ ৰাংগীৰখাৰি পইণ্টত নেতাজী সুভাষ চন্দ্ৰ বসুৰ নৱনিৰ্মিত প্ৰতিমূৰ্তি উন্মোচন কৰি নেতাজীৰ প্ৰতি শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে।

**ৰাইট (চি এম)**

নেতাজী মূৰ্তি নৱনিৰ্মাণ আৰু স্থাপন সমিতিৰ উদ্যোগত ভাস্কৰ্য শিল্পী অৰুণ যোগীৰাজে এই ২৮ ফুট উচ্চতাৰ ব্ৰঞ্জৰ প্ৰতিমূৰ্তিটো নিৰ্মাণ কৰি উলিয়াইছে। এই অনুষ্ঠানৰ সৈতে সংগতি ৰাখি বিভিন্ন জনগোষ্ঠীৰ সাংস্কৃতিক অনুষ্ঠানো পৰিৱেশন কৰা হয়। ড০ শৰ্মাই সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শিলচৰৰ কেপিটেল পইণ্টৰ পৰা ৰাংগীৰখাৰিলৈ ৭০০ কোটি টকা ব্যয় সাপেক্ষে এখন উৰণ সেতু নিৰ্মাণ কৰা হ'ব বুলি উল্লেখ কৰে। তেওঁ লগতে কাছাৰ জিলাৰ উধাৰবন্দ আৰু লক্ষীপুৰৰ ১৯ খন গাঁও ডিমা হাচাওৰ সৈতে সংযুক্ত কৰাৰ বিষয়ত কেৱল চৰ্চা কৰা হৈছে বুলি জানিবলৈ দিয়ে।

মুখ্যমন্ত্ৰী শৰ্মাই আজি ঘুংগুৰ বাইপাছত ছহিদ মংগল পাণ্ডেৰ নৱনিৰ্মিত প্ৰতিমূৰ্তিও উন্মোচন কৰে। ইয়াৰ তেওঁ এখন ৰাজহুৱা সভাত অংশ লয়। কাইলৈ তেওঁ শ্ৰীভূমি জিলাৰ পাথাৰকান্দি সম-জিলালৈ গৈ নৱনিৰ্মিত মণ্ডল বিজেপিৰ কাৰ্যালয় উদ্বোধন কৰিব। তেওঁ মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ কাৰ্যসূচীতো অংশ ল'ব।

০০০০০

২০২৫-২৬ বিত্তীয় বৰ্ষৰ এপ্ৰিলৰ পৰা জুনলৈকে দেশৰ মুঠ ঘৰুৱা উৎপাদন, জি ডি পিৰ হাৰ ৭ দশমিক ৮ শতাংশলৈ বৃদ্ধি পাইছে। এই হাৰ বিগত তিনিমহীয়া চক্ৰতকৈ দশমিক ৪ শতাংশ বৃদ্ধি পাইছে। এই সন্দৰ্ভত নুমলীগড় শোধনাগাৰ লিমিটেডৰ পৰিচালন সঞ্চালক ভাস্কৰজ্যোতি ফুকনে এইদৰে কয় -

**ৰাইট**

০০০০০

সমাগত বিটিচি নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলসমূহে প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰাৰ লগতে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। ইউ পি পি এল দলে আজি ১৬টা পৰিষদীয় সমষ্টিৰ বাবে দ্বিতীয়খন প্ৰাৰ্থীৰ তালিকা ঘোষণা কৰে। দলটোৱে প্ৰথমখন তালিকাত প্ৰকাশ কৰা ১৮ জন প্ৰাৰ্থীকে ধৰি বৰ্তমানলৈকে মুঠ ৩৬ জন প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। বাক্সা জিলাৰ মথনগুৰি পৰিষদীয় সমষ্টিত মাখন স্বৰ্গীয়াৰী ইউ পি পি এলৰ প্ৰাৰ্থিত্ব প্ৰদানৰ পাছতে সমষ্টিটোত আনন্দৰ জোৱাৰ উঠিছে। বৰতলাত আজি দলীয় কৰ্মী তথা ইউ পি পি এল সমৰ্থিত ৰাইজে তেওঁক আদৰণি জনায়। ইপিনে বাক্সাৰ শালবাৰী পৰিষদীয় সমষ্টিত দিগন্ত গয়াৰীয়ে বিপিএফৰ প্ৰাৰ্থিত্ব লাভৰ পাছতে তেওঁ জয়ী হোৱাতো নিশ্চিত বুলি মন্তব্য কৰিছে। বিপিএফ দলে কালি এই নিৰ্বাচনৰ বাবে ১০ জনীয়া দ্বিতীয়খন প্ৰাৰ্থী তালিকা প্ৰকাশ কৰে। অসম গণ পৰিষদ দলেও আজি বিটিআৰ নিৰ্বাচনৰ ৪টা পৰিষদীয় সমষ্টিৰ বাবে প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰে।

কংগ্ৰেছ দলে কালি ৩১টা পৰিষদীয় সমষ্টিৰ বাবে প্ৰাৰ্থীৰ তালিকা ঘোষণা কৰে। দলটোৱে চিৰাং জিলাৰ সাতটা পৰিষদীয় সমষ্টিৰ ভিতৰত চাৰিটাত প্ৰাৰ্থী দিছে।

০০০০০

তামুলপুৰ জিলাত সমাগত বি টি চি নিৰ্বাচন উপলক্ষে শান্তি-শৃংখলা বজাই ৰাখি নিৰ্বাচন সুচাৰুৰূপে সম্পন্ন কৰাৰ উদ্দেশ্যে জিলা আয়ুক্ত তথা জিলা দণ্ডাধীশ পংকজ চক্ৰৱৰ্তী ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ নম্বৰ ধাৰা অনুসৰি বিশেষ নিৰ্দেশনা জাৰি কৰিছে। সেই অনুসৰি জিলাখনৰ ভিতৰত অনুজ্ঞাপত্ৰ থকা বন্দুক তথা অস্ত্ৰ-শস্ত্ৰৰ ব্যৱহাৰ সম্পূৰ্ণৰূপে নিষিদ্ধ

কৰা হৈছে। অৱশ্যে এই আদেশৰ পৰা নিৰ্বাচনী দায়িত্বত নিয়োজিত আৰক্ষী, সেনা আৰু অৰ্ধসামৰিক বাহিনীৰ জোৱানসকলক ৰেহাই দিয়া হৈছে। ইয়াৰ লগতে ক্ৰীড়াৰ বাবে ৰাইফল ব্যৱহাৰ কৰিবলগীয়া ৰাষ্ট্ৰীয় ৰাইফলছ এছোচিয়েচনৰ সদস্যসকলে প্ৰশাসনৰ ওচৰত উচিত প্ৰমাণ-পত্ৰ দাখিল কৰিহে সেইসমূহ ব্যৱহাৰ কৰিব পাৰিব। কালিৰে পৰা বলবৎ হোৱা এই নিৰ্দেশনা নিৰ্বাচনী প্ৰক্ৰিয়া সম্পূৰ্ণ নোহোৱালৈ বলবৎ থাকিব।

00000

সমাগত বি টি চি নিৰ্বাচনৰ মনোনয়ন প্ৰত্যাহাৰ সন্দৰ্ভত তামুলপুৰ জিলাৰ জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া পংকজ চক্ৰৱৰ্ত্তীয়ে বিশেষ নিৰ্দেশনা জাৰি কৰিছে। এই নিৰ্দেশনা অনুসৰি প্ৰাৰ্থীসহ মুঠ পাঁচগৰাকী লোককহে মনোনয়ন প্ৰত্যাহাৰৰ সময়ত জিলা নিৰ্বাচনী বিষয়া বা সহকাৰী নিৰ্বাচনী বিষয়াৰ কাৰ্লালয়ত প্ৰবেশৰ অনুমতি দিয়া হৈছে। লগতে প্ৰাৰ্থীৰ সৈতে থকা গাড়ীৰ সংখ্যা তিনিখনলৈ সীমিত কৰা হৈছে। জিলাখনৰ আৰক্ষী অধীক্ষকে সকলো ধৰণৰ সুৰক্ষা ব্যৱস্থা গ্ৰহণ কৰিব বুলি নিৰ্দেশনাটোত কোৱা হৈছে। কাৰ্যালয়ৰ ১০০ মিটাৰ ব্যাসাৰ্দ্ধৰ ভিতৰত জনসমাবেশ নিষিদ্ধ কৰাৰ লগতে পাৰ্কিঙৰ বাবে থকা নিৰ্ধাৰিত স্থানতহে যানবাহনসমূহ ৰখাবলৈ নিৰ্দেশ দিয়া হৈছে। কেৱলবৈধ পৰিচয় পত্ৰ বা নিৰ্বাচনী দায়িত্বত থকা লোকসকলকহে কাৰ্যালয়ত প্ৰবেশৰ অনুমতি হ'ব বুলি নিৰ্দেশনা জাৰি কৰা হৈছে।

00000

বৰপেটা জিলাৰ হাউলীত আজি আৰক্ষীয়ে ৭টি শিশু আৰু তিনিগৰাকী মহিলাসহ ১৩ জন ৰোহিঙ্গীয়া লোকক আটক কৰে। আৰক্ষীয়ে জনোৱা মতে এই লোকসকলে প্ৰায় ১০ বছৰ পূৰ্বে ভাৰতত প্ৰৱেশ কৰিছিল আৰু দীৰ্ঘদিন দিন জম্মুত আশ্ৰয় লৈ আছিল।

00000

বিহাৰ নিৰ্বাচনৰ প্ৰাক্-ক্ষণত দাৰভাঙ্গাত এখন নিৰ্বাচনী প্ৰচাৰ সভাত কংগ্ৰেছৰ ৰাহুল গান্ধীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মাতৃ সন্দৰ্ভত কৰা অশোভনীয় মন্তব্যৰ বিৰোধিতাৰে বিজেপিৰ অসম প্ৰদেশ গোটে আজি কংগ্ৰেছৰ মুখ্য কাৰ্যালয় ৰাজীৱ ভৱন ঘেৰাও কৰে। গুৱাহাটীৰ ৰাজীৱ ভৱনৰ সমুখত বিজেপিৰ সহস্ৰাধিক কাৰ্যকৰ্তাই ৰাহুল গান্ধী আৰু কংগ্ৰেছৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰি ৰাহুল গান্ধীয়ে বিনা চৰ্তে ক্ষমা খোজাৰ দাবী তোলে। বিজেপিৰ কাৰ্যকৰ্তাসকলে ভৱিষ্যতে এনে কৰ্মৰ পৰা বিৰত থাকিবলৈ কংগ্ৰেছ দলক সকিয়াই দিয়ে।

00000

বাক্সা জিলাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত গাতিস্থিত শ্ৰীশ্ৰী ৰাস মহোৎসৱৰ বাকৰিত গাতিবাসী ৰাইজৰ সহযোগত সদৌ অসম ছাত্ৰ সন্থাৰ শান্তিপুৰ শাখাৰ চতুৰ্থ বাৰ্ষিক অধিবেশন আজি দিনজোৱা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। প্ৰায় আঢ়ৈশ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা এই অধিবেশনত পতাকা উত্তোলন, শ্বহীদ তৰ্পন আদি কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ইয়াৰ পাছত বিষয় বাসছনি সভা, প্ৰতিনিধি সভা, মুকলি সভা অনুষ্ঠিত হোৱাৰ লগতে সন্ধিয়াৰ ভাগলৈ সাংস্কৃতিক কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

00000

বিহাৰৰ ৰাজগীৰত অনুষ্ঠিত পুৰুষৰ এছিয়া কাপ হকী প্ৰতিযোগিতাত ভাৰতে আজি জাপানক ৩-২ গ'লত পৰাস্ত কৰে। হৰমনপ্ৰীত সিঙে দুটা গ'ল কৰাৰ বিপৰীতে মনদীপ সিঙে এটা গ'ল দিয়ে। জাপানৰ হৈ কোচেই কাৱাবে দুটা গ'ল কৰে।

ইয়াৰ পূৰ্বে অনুষ্ঠিত আন এখন খেলত চীনে কাজাখাস্তানক ১৩-১ গ'লত পৰাস্ত কৰে। এই প্ৰতিযোগিতাত বিজয়ী দলটোৱে ২০২৬ চনত হ'বলগা পুৰুষৰ হকী বিশ্বকাপৰ বাবে স্থান নিশ্চিত কৰিব।

নিৰাপত্তাজনিত কাৰণত পাকিস্তানে আৰু বিত্তীয় অসুবিধাৰ বাবে অ'মানে প্ৰতিযোগিতাৰ পৰা নাম বাতিল কৰাত তেওঁলোকৰ স্থানত বাংলাদেশ আৰু কাজাখাস্তানক অন্তৰ্ভুক্ত কৰা হয়।

00000

উত্তৰ-পূবৰ প্ৰথমগৰাকী অৰ্জুন বঁটা বিজয়ী এথলিট ভোগেশ্বৰ বৰুৱাৰ জন্মদিন উপলক্ষে ৩ ছেপ্তেম্বৰত উদযাপন কৰিবলগীয়া অভিৰুচি ক্ৰীড়া দিৱসৰ সৈতে সংগতি ৰাখি আজি ৰংপুৰ জিলা ক্ৰীড়া সন্থাই শিৱসাগৰৰ জয়সাগৰত দিনজোৰা কাৰ্যসূচীৰে আন্তঃক্লাব সাঁতোৰ প্ৰতিযোগিতাৰ আয়োজন কৰে। ২০০৪ চনৰ এথেন্স অলিম্পিকত দেশক প্ৰতিনিধিত্ব কৰা ভাৰোত্তোলক প্ৰতিমা কুমাৰী দেৱীয়ে এই প্ৰতিযোগিতাৰ উদ্বোধন কৰে। প্ৰায় ডেৰ শতাধিক প্ৰতিযোগীয়ে এই প্ৰতিযোগিতাত অংশ লয়। এই অনুষ্ঠানতে ১৩ গৰাকী সমাজকৰ্মী আৰু সাংবাদিকক সম্বৰ্ধনা জনোৱা হয়।

ooooo

গোৱালপাৰা জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত ডি এন সিংহ ষ্টেডিয়ামত দুদিনীয়াকৈ আয়োজিত জাহিৰুল হক আৰু নৌছাদ আলী সোঁৱৰণী কাবাডী প্ৰতিযোগিতাৰ আজি সামৰণি পৰে। প্ৰতিযোগিতাৰ ল'ৰা শাখাৰ আজি অনুষ্ঠিত চূড়ান্ত খেলখনত আমজোঙ্গা কাবাডী দল আৰু ছোৱালী শাখাত জেনিয়াম ক্লাবে বিজয়ীৰ খিতাপ অৰ্জন কৰে।

ooooo

বজালী জিলাৰ বাঘমাৰাৰ সমীপৰ শুকিলাৰ পাৰ গাঁও নিবাসী জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী, অসম আন্দোলন নেতা কৰিন্দ্ৰ দাসৰ যোৱা নিশা গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬৩ বছৰ।

ooooo

গুৱাহাটীৰ হেপিভিলা নিবাসী, বকোৰ জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ভৱেশ চন্দ্ৰ গোস্বামীৰ যোৱা নিশা গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭২ বছৰ। নৱগ্ৰহ শ্মশানত আজি তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হয়।

ooooo

সমাপ্ত